জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৫৪/২০২২**

## বৈদ্যুতিন আৱৰ্জনা ব্যৱহাৰেৰ অৱয়ব সৃষ্টিকাৰী যুৱশিল্পীক মুখ্যমন্ত্ৰীৰ ধন্যবাদ জ্ঞাপন

### পৰিৱেশৰ প্ৰতি বিপদজনক সামগ্ৰীক সৃষ্টিমূলক উদ্দেশ্যত প্ৰয়োগ কৰি নৱপ্ৰজন্মৰ বাবে এক উদাহৰণ হৈ উঠিছে যুৱশিল্পী ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৪ আগষ্ট ঃ** বৈদ্যুতিন আৱৰ্জনা ব্যৱহাৰৰ জৰিয়তে নিৰ্মাণ কৰি উলিওৱা এটি অৱয়ব আজি উপহাৰ হিচাপে প্ৰদান কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই স্বশিক্ষিত শিল্পী ৰাহুল পাৰিকক ধন্যবাদ জ্ঞাপন কৰে।

উল্লেখ্য যে ম'বাইল ফোনৰ আৱৰ্জনা ব্যৱহাৰ কৰি ৰাজ্যৰ যুৱশিল্পী তথা বাণিজ্য বিভাগৰ স্নাতক ৰাহুল পাৰিকে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ এটি অৱয়ব নিৰ্মাণ কৰি উলিয়ায়। শিল্পীগৰাকীৰ চিত্তাকৰ্ষক সৃষ্টিৰ বাবে মুখ্যমন্ত্ৰীয়ে তেওঁক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে এই সৃষ্টিমূলক কলাক উচ্চপৰ্যায়লৈ নিয়াৰ বাবে পৰামৰ্শ আগবঢ়ায়। যুৱশিল্পী ৰাহুলে মুখ্যমন্ত্ৰীক অৱগত কৰে যে তেওঁ সেই একে বৈদ্যুতিন আৱৰ্জনা ব্যৱহাৰৰ জৰিয়তে ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ এটি অৱয়ব নিৰ্মাণ কৰি আছে। মুখ্যমন্ত্ৰীয়ে বৰেণ্য সংগীত শিল্পীগৰাকীৰ ওপজা দিনত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এই অৱয়ব প্ৰদৰ্শন কৰিবৰ বাবে যুৱশিল্পীগৰাকীক আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে পৰিৱেশৰ প্ৰতি বিপদজনক সামগ্ৰীসমূহ সৃষ্টিমূলক উদ্দেশ্যত প্ৰয়োগ কৰি এই যুৱশিল্পীগৰাকী নৱপ্ৰজন্মৰ বাবে এক উদাহৰণ হৈ উঠিছে।

প্ৰণিধানযোগ্য যে যুৱশিল্পী ৰাহুল পাৰিকে ক্ৰিকেটাৰ বিৰাট কোহলি, বোলছবি অভিনেতা অক্ষয় কুমাৰ আৰু বিভিন্ন স্বনামধন্য ব্যক্তিৰ অৱয়ব নিৰ্মাণ কৰি উলিয়াইছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই শিল্পীগৰাকীৰ সৃষ্টিমূলক কৰ্মৰাজিক এক নতুন মাত্ৰালৈ যোৱাৰ বাবে শুভেচ্ছা প্ৰদান কৰাৰ লগতে তেওঁৰ উজ্জ্বল ভৱিষ্যত কামনা কৰে।

সুঃদঃ / হেঃশঃ
**২৪/০৮/২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in